জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৮৩/২০২২

# গহপুৰ মহকুমা অসামৰিক চিকিৎসালয় আৰু ঘাঁহিগাঁও ক্ৰীড়া প্ৰকল্প শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিলে বহুকেইটা প্ৰকল্প

## ধেমাজি চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য চলিত বৰ্ষতে আৰম্ভ কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

## শ্বহীদ কনকলতা বৰুৱা আৰু মুকুন্দ কাকতীৰ সমাধিস্থলত শ্ৰদ্ধা তৰ্পণ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২০ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ১০০ খন বিচনাযুক্ত গহপুৰ মহকুমা অসামৰিক চিকিৎসালয় আৰু ঘাঁহিগাঁও ক্ৰীড়া প্ৰকল্প শুভ উদ্বোধন কৰাৰ লগতে গহপুৰ মহকুমাধিপতি কাৰ্যালয়ৰ পেৰেড গ্ৰাউণ্ডৰ নিৰ্মাণ কাৰ্য আৰু ডিজিটেল মাধ্যমেৰে আলিগুৰি সোৰণশিৰিৰ পৰা বৰতামুলীলৈকে মথাউৰি, পকী পথ নিৰ্মাণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জনসাধাৰণে যাতে সহজে স্বাস্থ্যসেৱা লাভ কৰিব পাৰে সেয়া সুনিশ্চিত কৰিবলৈ অসম চৰকাৰে সমগ্ৰ ৰাজ্যখনতে স্বাস্থ্যখণ্ডৰ বিকাশ সাধনত বিশেষ গুৰুত্ব আৰোপ কৰি বহু পদক্ষেপ গ্ৰহণ কৰিছে। এনে পদক্ষেপৰ অংশ হিচাপে বিশ্বনাথ জিলাত প্ৰায় ১৮ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা ১০০ খন বিচনাযুক্ত গহপুৰ মহকুমা অসামৰিক চিকিৎসালয়খন আজি শুভ উদ্বোধন কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে সু-স্বাস্থ্যৰ দিশত এই চিকিৎসালয়খনে গহপুৰবাসীৰ বহুদিনীয়া অভাৱ পূৰণ কৰিবলৈ সক্ষম হ'ব। শ্বহীদ কনকলতা বৰুৱাৰ নামেৰে নৱনিৰ্মিত এই চিকিৎসালয়খন নামাকৰণ কৰা হ'ব বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ সুবিধাৰ্থে চিকিৎসালয়খনত এটা চিটি স্কেন মেছিন স্থাপন কৰাৰ ব্যৱস্থা কৰা হ'ব বুলিও কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে শ্বহীদ কনকলতা বৰুৱা, মুকুন্দ কাকতীৰ আত্মবলিদানৰ স্মৃতি বিজড়িত ঐতিহাসিক গহপুৰ থানাখন জনসাধাৰণে যাতে দৰ্শন কৰিব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তদুপৰি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কলাত্মক সৃষ্টি সাধনাৰ অন্যতম সাক্ষী ভোলাগুৰি চাহ বাগিচাক ঐতিহ্য ক্ষেত্ৰ হিচাপে ৰূপান্তৰ

কৰাৰ পৰিকল্পনা লোৱা হৈছে বুলিও তেওঁ কয়। ধেমাজি চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য চলিত বৰ্ষৰ অক্টোবৰ, নৱেম্বৰ মাহৰ ভিতৰত আৰম্ভ কৰা হ'ব বুলি সদৰি কৰি তেওঁ হেলেম চিকিৎসালয়খনৰ উন্নীতকৰণৰ ব্যৱস্থা কৰা হ'ব বুলিও ঘোষণা কৰে।

আজিৰ এই অনুষ্ঠানতে ঘাঁহিগাঁও ক্ৰীড়া প্ৰকল্প আনুষ্ঠানিক উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এখন ৰাষ্ট্ৰৰ প্ৰতিচ্ছবি শক্তিশালীভাৱে তুলি ধৰাত ক্ৰীড়া হৈছে অন্যতম আহিলা। তদুপৰি উঠি অহা প্ৰজন্মৰ শক্তি-সামৰ্থৰ উপযুক্ত প্ৰয়োগেৰে ৰাষ্ট্ৰ নিৰ্মাণত ক্ৰীড়া এক উল্লেখযোগ্য শক্তি হিচাপে আজি বিশ্বই স্বীকাৰ কৰিছে। ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশত ক্ৰীড়াৰ প্ৰতি যি গুৰুত্ব আৰোপ কৰিছে তাৰ ফলত আজি বিশ্ববাসীৰ দৃষ্টি ভাৰতবৰ্ষৰ প্ৰতি আকৰ্ষিত হৈছে আৰু বিশ্বৰ ক্ৰীড়া ক্ষেত্ৰত ভাৰতৰ ক্ৰীড়াবিদসকলে উন্নত প্ৰদৰ্শনেৰে ন-ন অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। অসমেও দেশৰ ক্ৰীড়াৰ এই নৱজাগৰণত যোগ দিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক্ৰীড়াক সংহত ৰূপত আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে একাধিক পদক্ষেপ গ্ৰহণ কৰিছে। ২০১৯ চনত ৰাজ্যৰ বিত্ত মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত তেওঁ নিজেই এই ক্ৰীড়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত ঘাঁহিগাঁও ক্ৰীড়া প্ৰকল্পলৈ আন্তঃগাঁথনি উন্নয়নৰ বাবে অতিৰিক্তভাৱে ১৫ কোটি টকা অনুমোদন প্ৰদানৰ কথা আজিৰ অনুষ্ঠানত ঘোষণা কৰে। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে গহপুৰ মহকুমাধিপতি কাৰ্যালয়ৰ পেৰেড গ্ৰাউণ্ড নিৰ্মাণ আৰু ডিজিটেল মাধ্যমেৰে আলিগুৰি সোৰণশিৰিৰ পৰা বৰতামুলীলৈকে মথাউৰি, পকী পথ নিৰ্মাণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে ৰাজ্য চৰকাৰে এই পেৰেড গ্ৰাউণ্ড নিৰ্মাণৰ বাবে ৯৯.৫০ লাখ টকাৰ অনুমোদন জনাইছে। আনহাতে আলিগুৰি সোৰণশিৰিৰ পৰা বৰতামুলীলৈকে ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰেদি ১৫.২৫ কোটি টকা ব্যয় সাপেক্ষে মথাউৰি, পকী পথ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি শ্বহীদ কনকলতা বৰুৱা আৰু শ্বহীদ মুকুন্দ কাকতীৰ সমাধিস্থললৈ গৈ শ্ৰদ্ধা তৰ্পণ কৰে। উল্লেখ্য যে ১৯৪২ চনৰ আজিৰ দিনটোতে মাতৃভূমিৰ স্বাধীনতাৰ হকে কনকলতা বৰুৱা আৰু মুকুন্দ কাকতীয়ে জীৱন আহুতি দিছিল। এই উপলক্ষে মুখ্যমন্ত্ৰীয়ে গহপুৰৰ বৰপুখুৰীপাৰত আয়োজিত শ্বহীত তৰ্পণ অনুষ্ঠানতো অংশগ্ৰহণ কৰি শ্বহীদ দ্বয়ৰ যুগলমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰীয়ে বৰপুখুৰীস্থিত ঐতিহাসিক গহপুৰ থানাও পৰিদৰ্শন কৰে।

গহপুৰত অনুষ্ঠিত আজিৰ এই অনুষ্ঠানসমূহত মুখ্যমন্ত্ৰীৰ সৈতে স্বাস্থ্য তথা পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্ত, সাংসদ পল্লৱ লোচন দাস, বিধায়ক উৎপল বৰা, ৰঞ্জিত কুমাৰ দত্ত, প্ৰমোদ বৰঠাকুৰ, অমিয় কুমাৰ ভূঞাৰ উপৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**হেঃশঃ**
**২০/০৯/২০২২**